# NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2022
**Time :** 1800 hrs

## *Assamese Evening Bulletin*

oooooooooo

বীৰ লাচিত বৰফুকন কেৱল মোগলৰ বিৰুদ্ধে যুঁজত আহোমৰ সেনাপতিয়েই নাছিল, বৰং তেওঁৰ সাহস আৰু বীৰত্বই যুগ যুগান্তৰলৈ দেশপ্ৰেমৰ অম্লান নিদৰ্শন ৰাখি গৈছে। নতুন দিল্লীত আয়োজিত বীৰ লাচিতৰ চাৰিশ সংখ্যক জয়ন্তীৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, দেশৰ পূব প্ৰান্তত লাচিত বৰফুকনে মহা পৰাক্ৰমেৰে যুঁজ দি মোগল সৈন্যক পৰাজিত কৰি কাললৈ খ্যাতি ৰাখি গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বীৰ লাচিতৰ সাহসৰ গাঁথা দেশজুৰি প্ৰচাৰ কৰাৰ বাবে ন পদক্ষেপক গৃহ মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গৃহ মন্ত্ৰীগৰাকীক বীৰ লাচিতৰ প্ৰতিমূৰ্তি আৰু হেংদানেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়েও অংশগ্ৰহণ কৰে। অসম চৰকাৰে নতুন দিল্লীত তিনিদিনীয়াকৈ আয়োজন কৰা লাচিত দিৱস কালি আৰম্ভ হয়। ৰাষ্ট্ৰীয় -আন্তঃৰাষ্ট্ৰীয় স্তৰত লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেমক তুলি ধৰাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাক অসমৰ বস্ত্ৰতাঁত মন্ত্ৰী ইউ জি ব্ৰহ্মই কয় যে, লাচিত দিৱসৰ অনুষ্ঠানক কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অংশগ্ৰহণে বিশেষ মৰ্য্যাদা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ গৌৰৱময় ইতিহাসত আলোকপাত কৰাৰ লগতে বীৰ লাচিতৰ সাহস আৰু ত্যাগৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ লাচিত দিৱসৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে আজি লাচিত দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জনাই দিয়া এটা বাৰ্তাত কয় যে, অসমৰ আহোম যুগৰ মহান বীৰ সেনাপতি লাচিত বৰফুকনৰ এইবাৰ ৪০০ বছৰীয়া জয়ন্তী আৰু সেয়ে এইবাৰৰ লাচিত দিৱসৰ বিশেষ তাৎপৰ্য আছে। শ্ৰীমোদীয়ে কয় যে জন্মভূমিৰ প্ৰতি থকা প্ৰেম আৰু বীৰত্বই লাচিত বৰফুকনক সকলোৰে হৃদয়ত স্থান দি আহিছে। উল্লেখযোগ্য যে, বীৰ লাচিতৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা লেখা কাৰ্য্যসূচীলৈ এই পৰ্য্যন্ত ৩৫ লাখৰো অধিক লেখা প্ৰেৰণ কৰা হৈছে।

oooooooooo

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। বিভিন্ন দল-সংগঠন, বিদ্যালয়-মহাবিদ্যালয়ে এই জয়ন্তী পালন কৰে। স্বাধীনতাৰ ৭৫ বছৰ আৰু লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি চেণ্ট্ৰেল ব্যু'ৰ অব কমিউনিকেশ্যনৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ে বিশ্বনাথ চাৰিআলিত দুদিনীয়া কাৰ্যসূচীৰে আলোক-চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনীত স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ বিভিন্ন দেশ সেৱামূলক কাৰ্যকলাপৰ লগতে বীৰ লাচিত বৰফুকনৰ দেশৰ প্ৰতি অৰিহণা প্ৰদৰ্শন কৰা হয়।

শিৱসাগৰ জিলাৰ ৰংপুৰ প্ৰাচীন কৃতিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত শিৱসাগৰ নগৰৰ লাচিত উদ্যানত দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস উদযাপন কৰা হয়। লাচিত দিৱসৰ লগত সংগতি ৰাখি

মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনে ৱাল পেইণ্টিং প্ৰতিযোগিতাৰ আয়োজন কৰে। মহকুমাটোৰ ১২ খন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

০০০০০০০০০০

গোৱাত চলি থকা ৫৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি চতুৰ্থ দিনাও কেইবাখনো দেশী-বিদেশী চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত চলচ্চিত্ৰ আৰু নন্দনতত্ব সম্পৰ্কীয় বিভিন্ন বিষয় সামৰি লোৱা হৈছে। ভাৰতৰ চলচ্চিত্ৰ আৰু টেলিভিশ্যন প্ৰতিষ্ঠানে এই প্ৰদৰ্শনীৰ আয়োজন কৰিছে। তদুপৰি, বিগত চাৰিটা দিনত কেইবাখনো উল্লেখযোগ্য চলচ্চিত্ৰৰ প্ৰদৰ্শনে চলচ্চিত্ৰৰসিক সকলক আকৰ্ষিত কৰিছে।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অহা শনিবাৰে নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া ফোন ইন দৃষ্টিপাত অনুষ্ঠানত স্তনৰ কৰ্কট ৰোগ আৰু সজাগতা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ জ্যেষ্ঠ চিকিৎসক ডাঃ আংগীৰস ভট্টাচাৰ্য্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি অতিথিগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ নৱেম্বৰত দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া **মন কী বাত** অনুষ্ঠানৰ ৯৫ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে নমো এপ বা মাই গভ্ প'ৰ্টেলৰ মুকলি মঞ্চৰ জৰিয়তে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে ১৮০০-১১-৭৮০০ শুল্কবিহীন নম্বৰত ফোন কৰি হিন্দী বা ইংৰাজী ভাষাত নিজৰ বাৰ্তা বাণীবদ্ধ কৰিব পাৰিব। ফোন লাইনসমূহ কাইলৈ পৰ্যন্ত খোলা থাকিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছড কল দিয়াৰ পাছত এছ্ এম এছ জৰিয়তে লাভ কৰা লিংকৰ মাধ্যমেৰেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০০০০

ফিফা বিশ্বকাপত আজি ব্ৰাজিলে শক্তি প্ৰদৰ্শন কৰিব। চৌদি আৰবৰ বিৰুদ্ধে খেলি আৰ্জেণ্টিনা আৰু জাপানৰ বিৰুদ্ধে খেলি জাৰ্মানী পৰাস্ত হোৱাৰ পাছত আজি বিশ্ব ফুটবলৰ অন্যতম শক্তি ব্ৰাজিল খেল পথাৰত নামিব। দেশখনে নিশা চাৰে ১২ বজাত হ'বলগীয়া এখন খেলত ছাৰ্বিয়াৰ বিৰুদ্ধে খেলিব। বিশেষজ্ঞসকলে ব্ৰাজিলক এইবাৰ বিশ্বকাপৰ সম্ভাব্য বিজয়ী হিচাপে চিহ্নিত কৰিছে।

প্ৰতিযোগিতাৰ পঞ্চম দিনটোত আজি দিনৰ চাৰে ৩ বজাত অনুষ্ঠিত প্ৰথমখন খেলত ছুইজাৰলেণ্ডে, কেমেৰুণক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ দিনটোৰ দ্বিতীয়খন খেল সন্ধ্যা চাৰে ৬ বজাত দক্ষিণ কোৰিয়া আৰু উৰুগুৱেৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে, নিশা চাৰে ৯ বজাত ইউৰো কাপ চেম্পিয়ন খ্ৰীষ্টীয়ান ৰ'নাল্ডোৰ নেতৃত্বৰ পৰ্তুগালে ঘানাৰ বিৰুদ্ধে খেলিব। ঘানাই ২০১৮ চনৰ পাছত প্ৰথমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এয়া হ'ব দেশখনৰ চতুৰ্থখন বিশ্বকাপ প্ৰতিযোগিতা। আনহাতে, তাৰকা খেলুৱৈ খ্ৰীষ্টীয়ান ৰ'নাল্ডোয়ে পঞ্চমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এইবাৰেই খেলুৱৈগৰাকীৰ শেষ বিশ্বকাপ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০০০

**(সমাপ্ত)**